**2 0 1 9**

PHILOSOPHY

( Major )

Paper : 5.4

**( Ethics–I )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নিৰ্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ দিয়া :

(a) Find out the odd one :

মিল নোখোৱাটো বাচি উলিওৱা :

(i) Intellect or reason

বুদ্ধি বা বিচাৰশক্তি

(ii) Freedom of will

ইচ্ছাৰ স্বাধীনতা

*(iii)* Punishment

শাস্তি

*(iv)* Personality

ব্যক্তিত্ব

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

*(b)* Who among the following is the author of the book, *A Treatise of Human Nature?*

তলত উল্লেখ কৰা সকলৰ ভিতৰত কোনগৰাকী *A Treatise of Human Nature* গ্ৰন্থখনৰ লেখক ?

*(i)* G. E. Moore

জি. ই. মুৰ

*(ii)* David Hume

ডেভিড হিউম

*(iii)* George Berkeley

জৰ্জ বাৰ্কলি

*(iv)* A. J. Ayer

এ. জে. আয়াৰ

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

*(c)* Is metaethics identical with analytic ethics?

অধিনীতিবিদ্যা বিশ্লেষণাত্মক নীতিবিদ্যাৰ লগত অভিন্ননে?

*(d)* Mention any one subject-matter of practical ethics.

ব্যৱহাৰিক নীতিবিদ্যাৰ যি কোনো এটা আলোচ্য বিষয় উল্লেখ কৰা।

*(e)* "Ethics is intelligible only in the context of religion." Is it true, according to Peter Singer?

"কেৱল ধৰ্মৰ পৰিপ্ৰেক্ষিততহে নীতিবিদ্যা বোধগম্য হয়।" পিটাৰ ছিংগাৰৰ মতে এইটো সত্যনে?

*(f)* Who is the propounder of 'Paradox of Hedonism'?

'সুখবাদৰ বিৰোধাভাস'ৰ প্ৰস্তাৱক কোন?

*(g)* Who of the following does believe in 'Hedonistic calculus'?

তলত উল্লেখ কৰা কোনগৰাকীয়ে 'সুখবাদৰ গণনা প্ৰণালী'ক বিশ্বাস কৰে?

*(i)* Mill

মিল

*(ii)* Moore

মুৰ

(iii) Kant

কান্ট

(iv) Bentham

বেন্থাম

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

**2.** Briefly answer the following questions : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) State any two differences between judgement of fact and judgement of value.

তথ্যমূলক অৱধাৰণ আৰু মূল্যাত্মক অৱধাৰণৰ মাজত থকা যি কোনো দুটা পাৰ্থক্য প্ৰকাশ কৰা।

(b) What is deontological ethics?

কৰ্তব্যমূলক নীতিবিদ্যা মানে কি?

(c) What is Euthanasia?

করুণা-হত্যা বা ইচ্ছামৃত্যু মানে কি?

(d) Distinguish between gross egoistic hedonism and refined egoistic hedonism.

স্থূল বা অমাৰ্জিত আত্মসুখবাদ আৰু মাৰ্জিত আত্মসুখবাদৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা।

**3.** Answer any *three* of the following questions : 5×3=15

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Write a short note on the utility of studying ethics.

নীতিবিদ্যা অধ্যয়নৰ উপযোগিতাৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Distinguish between intrinsic value and extrinsic value with the help of suitable example(s).

উপযুক্ত উদাহৰণৰ সহায়ত স্বতঃমূল্য আৰু পৰতঃমূল্যৰ মাজত পাৰ্থক্য বিচাৰ কৰা।

(c) Write a short note on virtue ethics.

সদ্‌গুণৰ নৈতিক মতবাদৰ বিষয়ে এটি চমু টোকা লিখা।

(d) Distinguish between metaethics and normative ethics.

অধিনীতিবিদ্যা আৰু আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(e) Briefly explain five points of difference between psychological hedonism and ethical hedonism.

মনোবৈজ্ঞানিক সুখবাদ আৰু নৈতিক সুখবাদৰ মাজত থকা পাঁচটা পাৰ্থক্য চমুকৈ ব্যাখ্যা কৰা।

4. What is ethics? Discuss the scope of ethics. 2+8=10

নীতিবিদ্যা মানে কি? নীতিবিদ্যাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

Is value subjective or objective? Discuss. 10

মূল্য আত্মগত নে বস্তুগত? আলোচনা কৰা।

5. What is practical ethics? Explain the relation between normative ethics and practical ethics. 2+8=10

ব্যৱহাৰিক নীতিবিদ্যা কি? আদৰ্শনিষ্ঠ নীতিবিদ্যা আৰু ব্যৱহাৰিক নীতিবিদ্যাৰ সম্পৰ্ক ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss the origin and development of metaethics. 10

অধিনীতিবিদ্যাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা।

**6.** What is altruistic hedonism? Discuss its different forms. 2+8=10

পৰসুখবাদ কি ? ইয়াৰ বিভিন্ন ৰূপসমূহ আলোচনা কৰা ।

*Or / অথবা*

Critically discuss the utilitarianism of Mill. 10

মিলৰ উপযোগিতাবাদৰ এক বিচাৰমূলক আলোচনা আগবঢ়োৱা ।

★★★